Office of the Principal
**BARBHAG COLLEGE**
Kalag : Nalbari : Assam
Ph. No. 03624-283417

*Dr. Birinchi Choudhury, M.A.,M.Phil, Ph.D.*
Principal cum Secretary,
Barbhag College,
Contact:- 9401257688/birinchic@gmail.com

MEMO NO: .................................................. Date: ....................

# নিৰ্বাচনী জাননী

১৯-১০-২০২২ ইং

ইয়াৰ দ্বাৰা বৰভাগ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলক জনোৱা হ'ল যে ২০২২-২৩ শিক্ষাবৰ্ষৰ বাবে মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ নিৰ্বাচন অহা ১ নৱেম্বৰ,২০২২ ইংৰাজী তাৰিখে অনুষ্ঠিত কৰা হ'ব। নিৰ্বাচনত নিম্নলিখিত দপ্তৰ সমূহৰ বাবে প্ৰাৰ্থীত্ব আগবঢ়াব বিচৰা ছাত্ৰ-ছাত্ৰীসকলৰ পৰা মনোনয়ন পত্ৰ বিচৰা হৈছে –

১. সভাপতি :- স্নাতক ৩য় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ পৰা

২. উপ-সভাপতি :- স্নাতক ৩য় বৰ্ষৰ ছাত্ৰীৰ পৰা (ছাত্ৰীৰ বাবে সংৰক্ষিত)

৩. সাধাৰণ সম্পাদক :- স্নাতক ১ম আৰু ২য় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ পৰা

৪. সহঃ সাধাৰণ সম্পাদক :- উচ্চতৰ মাধ্যমিক ১ম, স্নাতক ১ম আৰু ২য় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ পৰা

৫. সম্পাদক, খেলবিভাগ :- স্নাতক ১ম আৰু ২য় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ পৰা

৬. সহকাৰী সম্পাদক, খেলবিভাগ:- উচ্চতৰ মাধ্যমিক ১ম, স্নাতক ১ম আৰু ২য় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ পৰা

৭. সম্পাদক, সুকুমাৰ কলা আৰু সাংস্কৃতিক বিভাগ :- স্নাতক ১ম আৰু ২য় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ পৰা

৮. সম্পাদক, মহাবিদ্যালয় অলোচনী বিভাগ :- স্নাতক ১ম আৰু ২য় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ পৰা

৯. সম্পাদক, তৰ্কবিভাগ :- স্নাতক ১ম আৰু ২য় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ পৰা

১০. সম্পাদক, সমাজসেৱা :- স্নাতক ১ম আৰু ২য় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ পৰা

১১. সম্পাদক, ছাত্ৰ জিৰণী কোঠা :- স্নাতক ১ম আৰু ২য় বৰ্ষৰ ছাত্ৰৰ পৰা

১২. সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা :- স্নাতক ১ম আৰু ২য় বৰ্ষৰ ছাত্ৰীৰ পৰা (ছাত্ৰীৰ বাবে সংৰক্ষিত)

১৩. শ্ৰেণী প্ৰতিনিধি :- প্ৰতিটো শ্ৰেণীৰ পৰা এজনকৈ (উঃমাঃ ১ম, ২য়, স্নাতক ১ম, ২য় আৰু ৩য় বৰ্ষ)

19/10/22

Principal & Secretary
Barbhag College, Kalag
Nalbari, Assam

2

Office of the Principal
**BARBHAG COLLEGE**
Kalag : Nalbari : Assam
Ph. No. 03624-283417

*Dr. Birinchi Choudhury, M.A.,M.Phil, Ph.D.*
**Principal cum Secretary,**
**Barbhag College,**
**Contact:- 9401257688/birinchic@gmail.com**

**MEMO NO:** ................................................ **Date:** ......................

নিৰ্বাচনত প্ৰাৰ্থীত্ব আগবঢ়াব বিচৰা প্ৰাৰ্থীসকলৰ জ্ঞাতাৰ্থে –

নিৰ্বাচনৰ কিছুমান প্ৰয়োজনীয় নিয়মাৱলী তলত উল্লেখ কৰা হ'ল-

১. যিকোনো প্ৰাৰ্থীয়ে মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ যিকোনো দপ্তৰৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ বা ছাত্ৰী হৈ থকা অৱস্থাত এবাৰহে মাত্ৰ প্ৰাৰ্থীত্ব আগবঢ়াব পাৰিব। অৱশ্যে শ্ৰেণী প্ৰতিনিধিৰ পদত সৰ্বোচ্চ দুবাৰ প্ৰাৰ্থীত্ব আগবঢ়াব পাৰিব।

২. নিৰ্বাচনত প্ৰাৰ্থীত্ব আগবঢ়োৱা ছাত্ৰ বা ছাত্ৰীৰ বয়স ১৭ৰ পৰা ২২ বছৰ হ'ব লাগিব।

৩. কোনো বৰ্ষত (Arrear বা Drop) থকা ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচনত প্ৰাৰ্থী হ'ব নোৱাৰিব।

৪. মহাবিদ্যালয়ৰ নিয়মিত মাছুল আদায় নিদিয়া বা পুথিভঁড়ালৰ কিতাপ পত্ৰ সময়ত জমা নিদিয়া ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচনৰ প্ৰাৰ্থী হ'ব নোৱাৰিব।

৫. নিয়মীয়া (Regular) ছাত্ৰ-ছাত্ৰীয়েহে নিৰ্বাচনৰ প্ৰাৰ্থী হ'ব পাৰিব।

৬. নিৰ্বাচনৰ কোনো প্ৰাৰ্থীৰ অপৰাধমূলক গোচৰ থাকিব নোৱাৰিব। লগতে, মহাবিদ্যালয় কৰ্তৃপক্ষই অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা কোনো ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচনত প্ৰাৰ্থী হ'ব নোৱাৰিব।

৭. নিৰ্বাচনৰ প্ৰাৰ্থীত্ব আগবঢ়াবৰ বাবে এজন ছাত্ৰ-ছাত্ৰীৰ প্ৰতিটো বিষয়ৰ শ্ৰেণীৰ উপস্থিতি নূন্যতম ৭৫% হোৱাটো বাধ্যতামূলক৷

৮. নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীসকলে ১০০/- (এশ) টকা জমা দি অধ্যক্ষৰ কাৰ্য্যালয়ৰ পৰা মনোনয়ন পত্ৰ সংগ্ৰহ কৰিব পাৰিব।

৯. মনোনয়ন পত্ৰ জমা দিওতে ছাত্ৰ-ছাত্ৰী গৰাকীয়ে তলত উল্লেখ কৰা নথি-পত্ৰসমূহ মনোনয়ন পত্ৰৰ লগত দাখিল কৰিব লাগিব।

ক) মহাবিদ্যালয়ৰ পৰিচয় পত্ৰ।

খ) বয়সৰ প্ৰমাণ পত্ৰ (Admit Card/ PAN Card/ Aadhar Card)

গ) Library Clearance Certificate (মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিকৰ পৰা)

ঘ) নামভৰ্ত্তিৰ ৰচিদৰ প্ৰতিলিপি

ঙ) বিগত পৰীক্ষাৰ নম্বৰৰ তালিকা।

১০. মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত প্ৰতিগৰাকী প্ৰাৰ্থীয়ে মুঠ ৪০০/- (চাৰিশ) টকা আদায় দিব লাগিব। এই ধন কোনো পৰিস্থিতিতে ঘূৰাই দিয়া নহ'ব)

Birinchi
19/10/22
Principal & Secretary
Barbhag College, Kalag
Assam

Office of the Principal
**BARBHAG COLLEGE**
Kalag : Nalbari : Assam
Ph. No. 03624-283417

*Dr. Birinchi Choudhury, M.A.,M.Phil, Ph.D.*
**Principal cum Secretary,**
**Barbhag College,**
**Contact:- 9401257688/birinchic@gmail.com**

**MEMO NO:** .................................................... **Date:** ......................

নিৰ্বাচন সংক্ৰান্তীয় সকলো তাৰিখ তলত উল্লেখ কৰা হ'ল –

১. অধিসূচনা জাৰি -১৯-১০-২০২২ ইং তাৰিখ

২. মনোনয়ন পত্ৰ সংগ্ৰহ কৰাৰ সময় – ১৯-১০-২০২২ ইং তাৰিখ দিনৰ ১২.০০ বজাৰ পৰা ২০-১০-২০২২ ইং তাৰিখ আবেলি ৩.০০ বজালৈ।

৩. মনোনয়ন পত্ৰ জমা কৰাৰ সময় – ২১-১০-২০২২ ইং তাৰিখ আবেলি ৩.০০ বজালৈ। (মহাবিদ্যালয়ৰ কাৰ্য্যালয়ৰ ঘড়ী অনুসৰি)

৪. মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময়- ২২-১০-২০২২ আবেলি ৩.০০ বজালৈ

৫. মনোনয়ন পত্ৰ পৰীক্ষাৰ সময় – ২৬-১০-২০২২ দুপৰীয়া ১.০০ বজাত।

৬. প্ৰাৰ্থীৰ চূড়ান্ত তালিকা ঘোষণা- ২৬-১০-২০২২ আবেলি ৪.০০ বজাত প্ৰাৰ্থীৰ চূড়ান্ত তালিকা।

৭. নিৰ্বাচনী প্ৰচাৰৰ সময়- ২৮-১০-২০২২ ৰ পৰা ২৯-১০-২০২২ তাৰিখ (আবেলি ৩.০০ বজালৈ)।

৮. আনুষ্ঠানিক নিৰ্বাচনী প্ৰচাৰ সভা – ৩১-১০-২০২২ ইং তাৰিখে দিনৰ ১২.০০ বজাৰ পৰা আবেলি ২.০০ বজালৈ। (মহাবিদ্যালয় চৌহদৰ ভিতৰত)

৯. ভোট গ্ৰহণ – ১-১১-২০২২ ইং তাৰিখে ৰাতিপুৱা ৮.০০ বজাৰ পৰা দিনৰ ১.০০ বজালৈ

১০. ভোট গণনা - ১-১১-২০২২ ইং তাৰিখে আবেলি ২.০০ বজাৰ পৰা।

বিঃদ্ৰঃ- নিৰ্বাচনৰ নীতি-নিয়ম সম্পৰ্কে অধিক জনাৰ বাবে মহাবিদ্যালয়ৰ Website www.barbhagcollege.co.in ত নিৰ্বাচনী বিধি (Barbhag College Students' Union Election Rules,2022) উপলব্ধ।

19/10/22

Principal & Secretary
Barbhag College, Kalag
Nalbari, Assam